# 3 (Sem-3/CBCS) ASM HG/RC

## 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM—HG/RC-3016

( Honours Generic/Regular Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×১০=১০

(ক) লোকনাট্যৰ প্ৰধান উপাদান এটাৰ নাম লিখা।

(খ) 'ওজাপালি অনুষ্ঠান' অসমত কেতিয়াৰে পৰা প্ৰচলিত হৈ আহিছে?

(গ) জাগৰ গীত কি?

(ঘ) সংযুক্তিৰ দিশৰ পৰা পুতলা নাচক কেইটা ভাগত ভগাব পাৰি?

(ঙ) 'ঢেপা ঢুলীয়া' অনুষ্ঠান অসমৰ কোন অঞ্চলত প্ৰচলিত?

(চ) 'কুশান গান'ৰ একোটা দলৰ মূল নেতাজনক কি বোলে?

(ছ) ভাৱীগান সাধাৰণতে অসমৰ কোন অঞ্চলত প্ৰচলিত?

(জ) 'আপী ওজা' বুলিলে কি বুজা?

(ঝ) মাৰৈ পূজাৰ মূল গায়কজনক কি বোলে?

(ঞ) 'মঞ্চলেখা' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

২। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ২×৫=১০

(ক) 'ওজাপালি অনুষ্ঠান' কেইপ্ৰকাৰৰ আৰু কি কি?

(খ) লোকনাট্যৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(গ) অসমৰ বাহিৰেও ভাৰতবৰ্ষৰ কোন কোন প্ৰদেশত পুতলা নাচৰ প্ৰচলন আছে?

(ঘ) দুখন অসমীয়া ভ্ৰাম্যমান নাটকৰ নাম লিখা।

(ঙ) অসমত পুতলা নাচৰ পুতলাসমূহ কিহেৰে নিৰ্মাণ কৰা হয়?

৩। তলত দিয়া যি কোনো চাৰিটা বিষয় সম্পৰ্কে চমুকৈ লিখা : ৫×৪=২০

(ক) কুশান গান

(খ) একাঙ্কিকা নাট

(গ) যাত্ৰা





(ঘ) ঢুলীয়া নাচ

(ঙ) পুতলা নাচ

(চ) বাটৰ নাট

(ছ) মূকাভিনয়

৪। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লোকনাট্য বুলিলে কি বুজা? অসমৰ পৰম্পৰাগত লোকনাট্য সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) প্ৰাক্-স্বাধীনতাকালৰ অসমৰ প্ৰচেনিয়াম মঞ্চৰ ইতিহাসৰ এটি সমীক্ষা প্ৰস্তুত কৰা।

(গ) নাটকত সংগীতৰ প্ৰয়োগ কিয় কৰা হয়? আধুনিক অসমীয়া নাটকত আবহসংগীতৰ প্ৰয়োগ সম্পৰ্কে তোমাৰ অভিমত দাঙি ধৰা।

(ঘ) অনাতাঁৰ নাট বুলিলে কি বুজা? অনাতাঁৰ নাট আৰু সাধাৰণ নাটৰ পৰিবেশনৰ ক্ষেত্ৰত কাৰিকৰী দিশত কি কি প্ৰভেদ পৰিলক্ষিত হয়, বুজাই লিখা।

(ঙ) ভ্ৰাম্যমান নাট্যদল বুলিলে কি বুজা? অসমীয়া ভ্ৰাম্যমান নাট্যদলৰ ইতিহাস চমুকৈ বৰ্ণনা কৰা।

(চ) লোকনাট্যৰ আংগিক, বাচিক আৰু আহাৰ্য সম্পৰ্কে এটি তাত্ত্বিক আলোচনা দাঙি ধৰা।

★★★